# REGIONAL NEWS UNIT
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 18-03-2024
**Time :** 1845 Hrs.

## *ASSAMESE REGIONAL BULLETIN*

**:::::::::::::::::::::::::::::::::::**

## Headlines

১। সমাগত লোকসভা নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত বিভিন্ন ৰাজনৈতিক দলৰ প্ৰচাৰ অভিযান আৰম্ভ। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ তেলেংগানাত আৰু মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা কৰিমগঞ্জত প্ৰচাৰ।

২। সমাগত লোকসভা নিৰ্বাচনৰ পূৰ্বে বিভিন্ন জিলা প্ৰশাসনৰ সজাগতামূলক কাৰ্যসূচী।

৩। নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ষ্টাৰ্টআপ মহাকুম্ভ।

*আৰু*

৪। অসম লোকসেৱা আয়োগৰ সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষা ২০২৩ ৰাজ্যৰ ৩২ খন জিলাৰ মুঠ ১১৬টা কেন্দ্ৰত সম্পন্ন।

ooooo

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি তেলেংগানাৰ জগতিয়ালত এখন নিৰ্বাচনী সভাক সম্বোধন কৰি কয় যে, বিজেপি তেলেংগানাৰ জনসাধাৰণৰ আশা-আকাংক্ষা পূৰণ কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। জগতিয়ালৰ সভাত বিপুল জনসমাৰেশ হোৱাৰ কথাই ইয়াকে প্ৰতিপন্ন কৰে বুলি তেওঁ মত প্ৰকাশ কৰে। জগতিয়াল হৈছে তেলেংগানাৰ  নিজামাবাদ লোকসভা সমষ্টিৰ এটা অংশ। শ্ৰীমোদীয়ে নিজামাবাদ, কৰিমনগৰ আৰু পেডাপল্লীৰ দলীয় প্ৰাৰ্থীসকলৰ হৈ প্ৰচাৰ অভিযান চলায়। যোৱা দুটা দিনত তেলেংগানাত প্ৰধানমন্ত্ৰী শ্ৰীমোদীৰ এইটো তৃতীয়টো কাৰ্যসূচী। ইয়াৰ পূৰ্বে তেওঁ দুদিন আগেই মলকাজগিৰিত এটা বৃহৎ ৰোড শ্ব'ত অংশগ্ৰহণ কৰাৰ লগতে নগৰকুৰনুলত এখন ৰাজহুৱা সভাত অংশগ্ৰহণ কৰিছিল।

ইফালে বিজেপিৰ সাধাৰণ সম্পাদক বিনোদ টাৱৰে কয় যে, সমাগত লোকসভা নিৰ্বাচনত বিহাৰত বিজেপি, জেডি-ইউ, এল জে পি ৰামবিলাস, হিন্দুস্থানী আৱান মৰ্চা আৰু ৰাষ্ট্ৰীয় লোকমৰ্চাই এন ডি এৰ মিত্ৰজোঁট হিচাপে অৱতীৰ্ণ হ'ব। ৰাজ্যখনত বিজেপিয়ে ১৭ খন, জে ডি ইউৱে ১৬ খন, এল জে পি ৰামবিলাসে ৫ খন আৰু এইচ এ এম আৰু আৰ এল এমে এখনকৈ আসনত প্ৰতিদ্বন্দ্বিতা কৰিব। ইফালে কংগ্ৰেছ নেতা ৰাহুল গান্ধীয়ে মুম্বাইত ভাৰত জোড়ো ন্যায় যাত্ৰা কাৰ্যসূচীত অংশগ্ৰহণ কৰে।

ooooo

নিৰ্বাচনৰ দিন চমু চাপি অহাৰ লগে লগে নিৰ্বাচনী ৰণ কৌশল প্ৰস্তুতিত ৰাজনৈতিক দলসমূহ ব্যস্ত হৈ পৰিছে। ইয়াৰ অংশ হিচাপে ভাৰতীয় জনতা পাৰ্টীৰ গুৱাহাটীস্থিত মুখ্য কাৰ্যালয়ত আজি মিত্ৰজোটৰ দল অসম গণ পৰিষদৰ নেতৃবৃন্দ উপস্থিত হয়। অসম গণ পৰিষদ দলৰ সভাপতি অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ

মহন্ত, ৰাজ্যসভাৰ প্ৰাক্তন সাংসদ বীৰেন্দ্ৰ প্ৰসাদ বৈশ্যৰ  নেতৃত্বত যোৱা দলটোৱে ৰাজ্যিক বিজেপিৰ সভাপতি ভৱেশ কলিতা, সাংসদ তথা নিৰ্বাচন প্ৰৱন্ধন সমিতিৰ আহ্বায়ক পবিত্ৰ  মাৰ্ঘেৰিটাকে ধৰি অনান্য নেতাসকলৰ সৈতে লোকসভা নিৰ্বাচনৰ পৰিকল্পনা আৰু প্ৰস্তুতি সন্দৰ্ভত বিস্তৃত আলোচনাত মিলিত হয়। ইয়াৰ পাছত সংবাদ মাধ্যমক সম্বোধন কৰি ৰাজ্যিক  বিজেপিৰ সভাপতি ভৱেশ কলিতাই কয় যে ৰাজ্যৰ ১৪টা লোকসভা সমষ্টিতে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী অৱতীৰ্ণ হৈছে। এই প্ৰাৰ্থীসকলক জয়ী কৰোৱাৰ বাবে একেলগে নিৰ্বাচনী প্ৰচাৰ চলোৱা হ'ব। ৰাজ্যিক সভাপতি শ্ৰী কলিতাই কয়  যে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত অসমত অভূতপূৰ্ব বিকাশ হৈছে। এই বিকাশৰ বতৰা  ভোটাৰ ৰাইজৰ মাজলৈ লৈ যোৱা হ'ব। আগন্তুক লোকসভা নিৰ্বাচনত যোৱাবাৰৰ দৰে এইবাৰো অসমৰ ৰাইজে বিজেপিৰ মিত্ৰজোঁটৰ প্ৰাৰ্থীৰ প্ৰতি সমৰ্থন আগবঢ়াব বুলি শ্ৰী কলিতাই আশা ব্যক্ত কৰে।

০০০০০

কেন্দ্ৰীয় বন্দৰ, জাহাজ, জলপথ আৰু আয়ুষ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল আজি গুৱাহাটীৰ বশিষ্ঠস্থিত ভাৰতীয় জনতাপাৰ্টীৰ কাৰ্যালয়ত উপস্থিত হয়। সমাগত লোকসভা নিৰ্বাচনত ডিব্ৰুগড় লোকসভা সমষ্টিৰ প্ৰাৰ্থীত্ব লাভ কৰা শ্ৰী সোণোৱালে দলীয় নেতা-কৰ্মীসকলৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকৰ পাছত সংবাদমাধ্যমৰ সৈতে হোৱা কথা-বতৰাত শ্ৰী সোণোৱালে লোকসভা নিৰ্বাচনত বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থীয়ে যথেষ্ট ভাল ফলাফল লাভ কৰিব বুলি মন্তব্য কৰে।

০০০০০

০০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচনৰ সময়সূচী ঘোষণা কৰাৰ পাছতে অসমত লোকসভা নিৰ্বাচনৰ বাবে প্ৰচাৰ অভিযান আৰম্ভ হৈছে। ৰাজ্যখনত ১৪ খন আসনৰ বাবে তিনিটা পৰ্যায়ত নিৰ্বাচন অনুষ্ঠিত হ'ব। বিজেপি আৰু ইয়াৰ মিত্ৰদল অসম গণ পৰিষদ আৰু ইউ পি পি এলে ১৪ খন আসনৰ বাবেই তেওঁলোকৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। বিজেপিয়ে ১১ খন আসনত প্ৰতিদ্বন্দ্বিতা কৰাৰ বিপৰীতে অসম গণ পৰিষদে দুখন আৰু ইউ পি পি এলে এখন আসনত প্ৰতিদ্বন্দ্বিতা আগবঢ়াব। কংগ্ৰেছ দলে ১২ খন আসনত প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে। দলটোৱে ডিব্ৰুগড়ত অসম জাতীয় পৰিষদক সমৰ্থন আগবঢ়াব। ইপিনে, টি এম চি, আপ, বড়োলেণ্ড পিপ'লছ ফ্ৰণ্ট, চি পি আই এম আদি দলেও ইতিমধ্যে নিজ নিজ প্ৰাৰ্থীৰ তালিকা প্ৰকাশ কৰিছে। মুখ্যমন্ত্ৰী  ড০ হিমন্ত বিশ্ব শৰ্মাই আজি কৰিমগঞ্জ আসনখনৰ বাবে প্ৰচাৰ অভিযান চলায়। বিভিন্ন ৰাজনৈতিক দলৰ অন্যান্য জ্যেষ্ঠ নেতাসকলেও সজাগতা বৃদ্ধিৰ উদ্দেশ্যে ৰাজহুৱা সভা আৰু সমাৱেশত অংশগ্ৰহণ কৰিছে।

০০০০০

সমাগত লোকসভা নিৰ্বাচন সুচাৰুৰূপে সম্পন্ন কৰাৰ উদ্দেশ্যেৰে আজি মৰিগাঁও জিলা আয়ুক্ত তথা জিলা নিৰ্বাচন বিষয়া দেৱাশিষ শৰ্মাই জিলা আয়ুক্ত কাৰ্যালয়ৰ সভাকক্ষত এখন সংবাদমেল অনুষ্ঠিত কৰে। উল্লেখযোগ্য যে দ্বিতীয় পৰ্যায়ৰ ভোটগ্ৰহণত নগাঁও লোকসভা সমষ্টিৰ অন্তৰ্গত মৰিগাঁও নিৰ্বাচন জিলাৰ ৫২ নম্বৰ জাগীৰোড, ৫৩ নম্বৰ লাহৰিঘাট আৰু ৫৪ নম্বৰ মৰিগাঁও বিধানসভা সমষ্টিত ভোটগ্ৰহণ অনষ্ঠিত হ'ব। এই সন্দৰ্ভত শ্ৰী শৰ্মাই দ্বিতীয় পৰ্যায় অৰ্থাৎ ২৬ এপ্ৰিলত অনুষ্ঠিত হ'বলগীয়া নিৰ্বাচনৰ বাবে ২৮ মাৰ্চত অধিসূচনা জাৰি কৰা

হ'ব বুলি উল্লেখ কৰে। ৪ এপ্রিল মনোনয়ন পত্র দাখিলৰ অন্তিম দিন আৰু ৫ এপ্রিলত মনোনয়ন পত্র পৰীক্ষা কৰা হ'ব বুলিও তেওঁ উল্লেখ কৰে। উল্লেখ যোগ্য যে মৰিগাঁও নিৰ্বাচন জিলাত এইবাৰ মুঠ ভোটদাতাৰ সংখ্যা ৭ লাখ ১৯ হাজাৰ ৯২৭ গৰাকী আৰু মুঠ ভোটগ্ৰহণ কেন্দ্ৰৰ সংখ্যা ৯১১টা। ইয়াৰে ২৯ টা ভোটগ্ৰহণ কেন্দ্ৰ কেৱল মহিলাৰ দ্বাৰা পৰিচালিত হ'ব আৰু ৬টা ভোটগ্ৰহণ কেন্দ্ৰ আদৰ্শ ভোটগ্ৰহন কেন্দ্ৰ হিচাপে স্থাপন কৰা হ'ব। জিলাখনত ৩৫টা ভোটগ্ৰহণ কেন্দ্ৰ স্পৰ্শকাতৰ আৰু ২৯ টা কেন্দ্ৰ জটিল ৰূপে বিবেচিত হৈছে। ৰোগাক্ৰান্ত, বিশেষভাৱে সক্ষম আৰু অশীতিপৰ ভোটদাতাসকলৰ বাবে প্ৰয়োজন অনুসৰি হুইল ছেয়াৰ, ডাক বেলট আদিৰ ব্যৱস্থা কৰা হ'ব বুলি জিলা আয়ুক্তগৰাকীয়ে জানিবলৈ দিয়ে। তেওঁ লগতে কয় যে, সংবাদ মাধ্যমকে ধৰি অত্যাৱশ্যকীয় সেৱাৰ সৈতে জড়িত ভোটদাতাসকলৰ বাবেও প্ৰয়োজন অনুসৰি ডাক বেলটৰ ব্যৱস্থা কৰা হ'ব।

আনহাতে সমাগত লোকসভা নিৰ্বাচনৰ প্ৰস্তুতি সন্দৰ্ভত আজি গোলাঘাটৰ জিলা আয়ুক্তই এখন সংবাদমেল সম্বোধন কৰে। উল্লেখযোগ্য যে গোলাঘাট জিলাত প্ৰথম পৰ্যায় অৰ্থাৎ ১৯ এপ্রিলত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব। উল্লেখযোগ্য যে কাজিৰঙা লোকসভা সমষ্টিৰ অন্তৰ্গত গোলাঘাট নিৰ্বাচনী জিলাত ৬৬৭টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। ইয়াৰে গোলাঘাট বিধানসভা সমষ্টিত ২৪৯টা, ডেৰগাঁও বিধানসভা সমষ্টিত ২১৬ টা আৰু খুমতাই বিধানসভা সমষ্টিত ২০২টা ভোটগ্ৰহণ কেন্দ্ৰ আছে। এইবাৰ জিলাখনত সৰ্বমুঠ ৫ লাখ ৪১ হাজাৰ ৭৯৬ গৰাকী ভোটদাতা আছে।

ooooo

ভাৰতৰ নিৰ্বাচন আয়োগৰ নিৰ্দেশ মৰ্মে যোৰহাট জিলা আয়ুক্ত তথা যোৰহাট লোকসভা সমষ্টিৰ ৰিটাৰ্নিং বিষয়াই এটা নিৰ্দেশনা জাৰি কৰিছে। সেই অনুসৰি লোকসভা নিৰ্বাচনত সমষ্টিটোৰ পৰা অৱতীৰ্ণ হ'বলগীয়া প্ৰাৰ্থীসকলে মনোনয়ন পত্ৰ দাখিলৰ সময়ত প্ৰাৰ্থীজনকে ধৰি মুঠ ৫জন ব্যক্তিয়েহে ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়ত প্ৰৱেশ কৰিব পাৰিব। তদুপৰি এজন প্ৰাৰ্থীৰ লগত সৰ্বাধিক ৩ খন বাহনৰ কনভয়হে ৰিটাৰ্নিং বিষয়াৰ কাৰ্যালয়ৰ পৰা ১০০ মিটাৰ দূৰত্বলৈ আহিব পাৰিব। এই আদেশ তাৎক্ষণিকভাৱে কাৰ্যকৰী হ'ব আৰু মনোনয়ন প্ৰক্ৰিয়া সম্পূৰ্ণ নোহোৱালৈকে বাহাল থাকিব।

ooooo

নতুন দিল্লীৰ ভাৰত মণ্ডপমত আজিৰে পৰা তিনিদিনীয়া কাৰ্যসূচীৰে ষ্টাৰ্টআপ মহাকুম্ভ আৰম্ভ হৈছে। ভাৰতৰ সৰ্ববৃহৎ ষ্টাৰ্টআপ পৰিস্থিতি তন্ত্ৰক প্ৰদৰ্শন কৰাৰ উদ্দেশ্যে এই ষ্টাৰ্টআপ মহাকুম্ভৰ আয়োজন কৰা হৈছে। অহা ২০ মাৰ্চলৈ চলিবলগীয়া এই অনুষ্ঠানত কৃত্ৰিম বুদ্ধিমত্তা, বি টু বি, কৃষি প্ৰযুক্তি, জলবায়ু প্ৰযুক্তিকে ধৰি বিভিন্ন ক্ষেত্ৰৰ ষ্টাৰ্টআপসমূহ দেখিবলৈ পোৱা যাব। উল্লেখযোগ্য যে বিনিয়োগকাৰী আৰু উদ্যোগখণ্ডৰ অংশীদাৰসকলক ভাৰতীয় ষ্টাৰ্টআপৰ সৈতে জড়িত কৰাই হৈছে এই অনুষ্ঠানৰ উদ্দেশ্য। এই অনুষ্ঠানটোত দুহেজাৰৰো অধিক ষ্টাৰ্টআপৰ লগতে ৩০ হাজাৰ ভৱিষ্যতৰ উদ্যমী, ৫০ হাজাৰ ব্যৱসায়িক অভ্যাগত আৰু ১০ খন দেশৰ প্ৰতিনিধিয়ে অংশগ্ৰহণ কৰিব।

ooooo

ৰাজ্যত দুৰ্নীতিৰ বিৰুদ্ধে চলি থকা অভিযানৰ অংশ হিচাপে তদাৰকী আৰু দুৰ্নীতি নিবাৰক সঞ্চালকালয়ে আজি কামৰূপ মেট্ৰ'ৰ জিলা আয়ুক্ত কাৰ্যালয়ৰ কোষাগাৰ বিষয়া হৰেন্দ্ৰ নাথ বৈশ্য বনিয়াক তেওঁৰ নিজৰ কাৰ্যালয়তে ষ্টাম্প ক্ৰয় কৰাৰ অৰ্থে চালানত অনুমোদন জনোৱাৰ বাবদ উৎকোচ লৈ থকা অৱস্থাত হাতে লোটে

ধৰা পেলায়। আনহাতে তদাৰকী আৰু দূৰ্নীতি নিবাৰক সঞ্চালকালয়ৰ আন এটা গোটে চিৰাং জিলাৰ বিজনীৰ বৰবাজাৰ শিশু বিকাশ প্ৰকল্পৰ প্ৰকল্প বিষয়া বজেন্দ্ৰ নাথ দাসক বিল পৰিশোধৰ বাবদ উৎকোচ গ্ৰহণ কৰা অৱস্থাত ধৰা পেলায়। দিনটোৰ তৃতীয়টো অভিযানত নগাঁৱৰ এপিডিচিএল কাৰ্যালয়ৰ চুইচ্ বৰ্ড অপাৰেটৰ নন্দ হাজৰিকাক তেওঁৰ বাসগৃহৰ ওচৰতে বাণিজ্যিক মিটাৰৰ দৰ্খাস্ত প্ৰদান কৰাৰ ৱবাদ উৎকোচ লৈ থকা অৱস্থাত ধৰা পেলায়।

০০০০০

অসম লোকসেৱা আয়োগে অনুষ্ঠিত কৰা সংযুক্ত প্ৰতিযোগিতামূলক প্ৰাৰম্ভিক পৰীক্ষা ২০২৩ আজি ৰাজ্যৰ ৩২ খন জিলাৰ মুঠ ১১৬টা কেন্দ্ৰত সুকলমে সম্পন্ন হয়। এই পৰীক্ষাৰ জৰিয়তে নিযুক্তি হ'বলগীয়া ২৩৫টা পদৰ বাবে মুঠ ৬৭ হাজাৰ ২৫১ গৰাকী প্ৰাৰ্থীয়ে আবেদন দাখিল কৰিছে। এই ২৩৫টা পদৰ ভিতৰত অসম অসামৰিক সেৱাৰ বাবে ৪৫টা আৰু অসম আৰক্ষী সেৱাৰ বাবে ৩৫টা পদ আছে। উল্লেখযোগ্য যে, পোনপ্ৰথমবাৰৰ বাবে অ' এম আৰ ছীটৰ সৈতে প্ৰাৰ্থীৰ বাবে কাৰ্বন প্ৰতিলিপি উপলব্ধ কৰা হৈছে। আয়োগে জনোৱা মতে মূল পৰীক্ষাৰ প্ৰশ্নকাকতসমূহ ইংৰাজীৰ লগতে অসমীয়াতো উপলব্ধ কৰা হ'ব। আনহাতে মূল পৰীক্ষা চলিত বছৰৰ জুলাই মাহত অনুষ্ঠিত হ'ব। এই পৰীক্ষা সুচাৰুৰূপে পৰিচালনা কৰা বাবে অসম লোকসেৱা আয়োগৰ অধ্যক্ষ ভাৰত ভূষণ দেৱ চৌধুৰীৰ সংশ্লিষ্ট সকলোলৈকে ধন্যবাদ জ্ঞাপন কৰিছে। ইফালে এ পি এছ চিৰ সংযুক্ত প্ৰতিযোগিতামূলক পৰীক্ষা আজি তিনিচুকীয়া জিলাতো সুকলমে অনুষ্ঠিত হয়। জিলাখনৰ তিনিচুকীয়া মহাবিদ্যালয়, তিনিচুকীয়া উইমেন কলেজ, চেনাইৰাম উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু সাৰ্বজনীন উচ্চতৰ বালিকা বিদ্যালয়ত এই পৰীক্ষা অনুষ্ঠিত হয়। এই পৰীক্ষাকেন্দ্ৰ কেইটাত মুঠ এহেজাৰ ৩৮২ গৰাকী প্ৰাৰ্থী পৰীক্ষাত উপস্থিত থাকে।

০০০০০

কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰালয়ে অসম বিধানসভাৰ সহযোগত গুৱাহাটীত আজিৰে পৰা ৰাজ্য চৰকাৰৰ সকলো চৰকাৰী বিভাগৰ সৈতে যোগাযোগ ব্যৱস্থা উন্নত কৰি তোলাৰ লগতে বিধানসভাৰ কাম-কাজ কাগজবিহীনভাৱে কৰাৰ উদ্দেশ্যে **ৰাষ্ট্ৰীয় ই-বিধান এপ্লিকেশ্যন-নেভা** সন্দৰ্ভত এখন দুদিনীয়া কৰ্মশালাৰ আয়োজন কৰিছে। উল্লেখযোগ্য যে নেভাৰ প্ৰয়োগৰ ফলত অসম বিধানসভাৰ কাম-কাজ পৰিচালনা অধিক গতিশীল হৈ পৰিব বুলি আশা কৰা হৈছে। এই ব্যৱস্থা কাৰ্যকৰী হ'লে সদনৰ সকলো বৈদ্যুতিন কাম-কাজ কাগজবিহীনভাৱে কৰা তথা চৰকাৰী বিভাগসমূহৰ মাজত অবিৰত ই যোগাযোগ ব্যৱস্থাক উৎসাহিত কৰাৰ লগতে কেন্দ্ৰীয় চৰকাৰৰ **গো-গ্ৰীণ** পদক্ষেপৰো সহায়ক হ'ব। এই ব্যৱস্থাৰ জৰিয়তে হাজাৰ হাজাৰ টন কাগজ সঞ্চয় হ'ব আৰু এয়া পৰিৱেশৰ বাবে অনুকূল হ'ব। তদুপৰি এই পদক্ষেপে ভিডিঅ' কনফাৰেন্স আন্তঃগাঁথনিৰ বিকাশৰ লগতে পুৰণি ৰেকৰ্ডসমূহ ডিজিটেল ৰূপত সংৰক্ষণ কৰাৰ বাবে ডিজিটেল লাইব্ৰেৰীৰ উত্তৰণতো সহায় কৰিব।

০০০০০

যোৰহাট লোকসভা সমষ্টিৰ কংগ্ৰেছ দলৰ প্ৰাৰ্থী গৌৰৱ গগৈ আজি শিৱসাগৰ জিলাৰ ডিমৌ বিধানসভা সমষ্টি এলেকাৰ বহুকেইখন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। গগৈয়ে জিলাখনৰ ডিমৌ বিধানসভা সমষ্টিৰ অধীনৰ থাওৰাত থকা থাওৰা দৌলত আজি পুৱা সেৱা কৰি সমষ্টিটোত নিৰ্বাচনী প্ৰচাৰ যাত্ৰা আৰম্ভ কৰে। সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত গগৈয়ে যোৰহাট লোকসভা সমষ্টিত তেওঁ নিশ্চিতভাৱে জয়লাভ কৰিব বুলি দাবী কৰে। আনহাতে কংগ্ৰেছ দলে জয়লাভ কৰিলে CAA বাতিল কৰা হ'ব বুলি প্ৰকাশ কৰে। লগতে স্বাস্থ্য, পৰিবহন আদি খণ্ডৰ সমস্যা সমাধানৰ চেষ্টা কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে। উল্লেখযোগ্য যে আজিৰে পৰা

শিৰসাগৰ জিলাত প্ৰচাৰ অভিযান আৰম্ভ কৰা বিৰোধী মিত্ৰজোটৰ প্ৰাৰ্থী গৌৰৱ গগৈ দিনটোৰ ভিতৰত ডিমৌ সমষ্টিৰ ৰূপহীবাম, দলপা, ককিলামাৰী আদিকে ধৰি বিভিন্ন অঞ্চলত ৮খন নিৰ্বাচনী প্ৰচাৰ সভাত অংশগ্ৰহণ কৰে। গগৈৰ সৈতে অসম জাতীয় পৰিষদ, ৰাইজৰ দল আদিৰ লগতে বিপুল সংখ্যক কংগ্ৰেছ দলৰ সমৰ্থকে এই সভাকেইখনত অংশগ্ৰহণ কৰে।

ooooo

চিৰাং জিলাৰ বিজনী নিৰ্বাচন জিলাৰ SVEEP Cell ৰ উদ্যোগত আজি বিয়লি বিজনী মহকুমাধিপতিৰ কাৰ্যালয়ৰ সভাকক্ষত শুভংকৰ উন্মোচন কৰা হয়। জিলাখনৰ ২০ নম্বৰ বিজনী সমষ্টিৰ ভোটদাতাসকলৰ সজাগতা সৃষ্টিৰ উদ্দেশ্যে কোষটোৱে আয়োজন কৰা শুভংকৰ অংকন প্ৰতিযোগিতাত বিজনী মহাবিদ্যালয়ৰ প্ৰাণী বিদ্যা বিভাগৰ দ্বিতীয় যন্মাষিকৰ ছাত্ৰ অভিজিৎ বছাকে অংকন কৰা দিজাইনটোৱে প্ৰথম স্থান লাভ কৰে।

ooooo

সমাগত লোকসভা নিৰ্বাচনৰ আচৰণ বিধি অনুসৰি বঙাই গাওঁ জিলাৰ নিৰ্বাচনী আচৰণ বিধি কোষৰ নডেল বিষয়া তথা বঙাই গাওঁ জিলাৰ অতিৰিক্ত উপায়ুক্তৰ নেতৃত্বত গঠিত এটা আজি অভিযান চলায়। এই অভিযানত মানিকপুৰ, বঙাইগাওঁ আৰু ডাংতল ৰাজহ চক্ৰ এলেকাৰ বিভিন্ন ৰাজহুৱা স্থানৰ পৰা প্ৰধানমন্ত্ৰী, মুখ্যমন্ত্ৰী, মন্ত্ৰী আৰু ৰাজনৈতিক দলৰ নেতাৰ ফটো থকা বেনাৰ, পোষ্টাৰ আৰু পতাকা আতৰায়। তদুপৰি ৰাইজক উদ্দেশ্যি লেখা চৰকাৰী নাইবা দলীয় আহ্বানবো মচি পেলোৱা হয়।

ooooo

আকাশবাণীৰ বাতৰি সেৱা বিভাগে পূৰ্ণকালীন চুক্তিভিত্তিত আকাশবাণীৰ আঞ্চলিক বাতৰি বিভাগৰ বাবে Editorial Executive-News Reader cum Translator পদৰ বাবে অভিজ্ঞতা সম্পন্ন প্ৰাৰ্থীৰ পৰা আবেদন পত্ৰ বিচাৰিছে। পদৰ সংখ্যা দুটা আৰু চুক্তিৰ প্ৰাৰম্ভিক ম্যাদ দুবছৰ। আবেদন পত্ৰ দাখিলৰ শেষ তাৰিখত প্ৰাৰ্থীৰ বয়স ৫৮ বছৰতকৈ কম হ'ব লাগিব। প্ৰতি মাহে দৰমহাৰ নিৰিখ ৪০ হাজাৰৰ পৰা ৫০ হাজাৰ টকা। আৱশ্যকীয় অৰ্হতা - প্ৰাৰ্থী যিকোনো বিষয়ৰ স্নাতক হোৱাৰ লগতে কোনো বাতৰি সংস্থা বা প্ৰকাশন গোষ্ঠীত ৩ বছৰতকৈ অধিক কাম কৰাৰ অভিজ্ঞতা থাকিব লাগিব। বিতং তথ্যৰ বাবে ইচ্ছুক প্ৰাৰ্থীয়ে আমাৰ ৱেবছাইট newsonair.gov.in/vacancies চোৱাৰ লগতে applications.prasarbharati.org ত আবেদন কৰিব পাৰে। কাইলৈ আবেদন পত্ৰ দাখিলৰ অন্তিম দিন।

ooooo

অহা ২০-২৩ মাৰ্চলৈকে ঝাৰখণ্ডৰ টাটা নগৰত অনুষ্ঠিত হ'বলগীয়া অষ্টম সংখ্যক ৰাষ্ট্ৰীয় পেৰা বেডমিণ্টন ছেম্পিয়নশ্বিপত অসমৰ ৮জনীয়া এটা দলে অংশগ্ৰহণ কৰিব। দলত অন্তৰ্ভুক্ত অসমৰ পেৰা ছাটলাৰসকল হৈছে – মাধুৰ্য ভৰালী, ৰোহিত উপাধ্যায়, টিকাৰাম ছেত্ৰী, অমৰ গগৈ, মনজিৎ দাস, গোপেশ ঝালানী আৰু পদ্মিনী দাস।

oooooo

ঃসমাপ্তঃ